# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ভাৰতীয় সামুদ্ৰিক সপ্তাহত অংশগ্ৰহণ কৰি বিশ্ব সামুদ্ৰিক মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ বৈঠকত অধ্যক্ষতা কৰিব।

২। ঘূৰ্ণিবতাহ **মন্থাই** যোৱা নিশা ঘণ্টাত ৯০ৰ পৰা ১০০ কিলোমিটাৰ বেগেৰে অন্ধ্ৰপ্ৰদেশ আৰু য়ানম উপকূলৰ মাজৰ মছিলিপট্টনম আৰু কলিংগপট্টনমৰ ওপৰেৰে পাৰ হৈ যায়।

৩। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি সন্ধিয়া নতুন দিল্লীত চলিত বছৰৰ ছৰ্দাৰ পেটেল সোঁৱৰণী বক্তৃতা প্ৰদান কৰিব।

*আৰু*

৪। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ভাৰতীয় সামুদ্ৰিক সপ্তাহ ২০২৫ত অংশগ্ৰহণ কৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে সামুদ্ৰিক নেতাসকলৰ সন্মিলনত ভাষণ দিয়াৰ লগতে বিশ্ব সামুদ্ৰিক মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ বৈঠকত অধ্যক্ষতা কৰিব। এই কাৰ্যসূচীয়ে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীক কাৰ্যত পৰিণত কৰাৰ বাবে বিশ্বৰ আগশাৰীৰ দেশসমূহৰ অংশীদাৰসকলক একত্ৰিত কৰাৰ এখন মঞ্চ প্ৰদান কৰাৰ লগতে এই খণ্ডত ভাৰতৰ সংস্কাৰসমূহৰ বিষয়ে আলোকপাত কৰিব। ৮৫ খনৰো অধিক ৰাষ্ট্ৰৰ এক লাখৰো অধিক প্ৰতিনিধি আৰু ৩৫০ গৰাকীৰো অধিক আন্তঃৰাষ্ট্ৰীয় বক্তাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেৱল বিগত ১১ টা বছৰতে ভাৰতৰ সামুদ্ৰিক খণ্ডই ইয়াৰ বন্দৰসমূহৰ ক্ষমতা প্ৰায় দুগুণলৈ বৃদ্ধি কৰিছে বুলি এখন সংবাদমেলযোগে জানিবলৈ দিয়ে। ভাৰতে এইক্ষেত্ৰত কেৱল অগ্ৰগতি লাভ কৰাই নহয়, ইয়াক নেতৃত্ব দিয়াৰ দিশে অগ্ৰসৰ হৈছে বুলিও শ্ৰী সোণোৱালে মন্তব্য কৰে।

০০০০০

চৰকাৰ দেশৰ কৃষকসকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ২০২৫-২৬ বৰ্ষৰ বাবে চৰকাৰে ৰবি শস্যৰ ক্ষেত্ৰত ফছফৰাছ আৰু পটাছ যুক্ত সাৰৰ পুষ্টিকৰ উপাদান আধাৰিত ৰাজ সাহায্যত অনুমোদন জনাই এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত খেতিয়কসকলৰ বাবে ৰাজ সাহায্যযুক্ত সাৰ উচিত মূল্যত লাভ কৰাৰ উপৰি তেওঁলোকৰ উপাৰ্জনো বৃদ্ধি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

তীব্ৰ ঘূৰ্ণিবতাহ **মন্থাই** যোৱা নিশা ঘণ্টাত ৯০ৰ পৰা ১০০ কিলোমিটাৰ বেগেৰে অন্ধ্ৰপ্ৰদেশ আৰু য়ানম উপকূলৰ মাজৰ মছিলিপট্টনম আৰু কলিংগপট্টনমৰ ওপৰেৰে পাৰ হৈ যায়। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে কালি সন্ধিয়া সাত বজাত ঘূৰ্ণিবতাহ মন্থাই অন্ধ্ৰপ্ৰদেশৰ কাকিনাৰাত খুন্দা মাৰে। ঘূৰ্ণিবতাহৰ প্ৰভাৱত অন্ধ্ৰপ্ৰদেশত ধাৰাষাৰ বৰষুণ হোৱাৰ লগতে ৰাজ্যখনৰ ৪৩ হাজাৰ হেক্টৰ কৃষি ভূমি বিনষ্ট কৰে। অন্ধ্ৰপ্ৰেদশ আৰু য়ানামৰ ঠায়ে ঠায়ে আজি পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ লগতে কোনো কোনো ঠাইত প্ৰবল বৰষুণৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। একে সময়তে কোনো অঞ্চলত ২০ চেণ্টিমিটাৰ পৰ্যন্ত অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলিও বিভাগটোৱে প্ৰকাশ কৰিছে। অন্ধ্ৰপ্ৰদেশৰ নেল্লোৰ জিলাত কালি এই ঘূৰ্ণিবতাহৰ প্ৰভাৱত সৰ্বাধিক পৰিমাণৰ বৃষ্টিপাত হয়। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে ৰাজ্যখনত ঘূৰ্ণিৰ প্ৰভাৱত বৃহৎ ক্ষতি হোৱা নাই যদিও সাৱধানতামূলক ব্যৱস্থাসমূহ এতিয়াও জাৰি ৰখা হৈছে বুলি প্ৰকাশ কৰিছে। শ্ৰী মাঝিয়ে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ পৰা ঘূৰ্ণিবতাহৰ পিছৰ পৰিস্থিতিৰ বুজ লৈ ৰাজ্যখনৰ ঠায়ে ঠায়ে গছ-গছনি ভঙাৰ লগতে কম পৰিমাণে ভূমিস্খলন হোৱা বুলি জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফে ঘূৰ্ণিবতাহজাকৰ পৰিপ্ৰেক্ষিতত ২৬ টা বাহিনী নিয়োগ কৰিছে। ইয়াৰে ১২ টা অন্ধ্ৰপ্ৰদেশৰ ৬ টা ওড়িশাৰ আৰু তিনিটা উত্তৰ তামিলনাডুত নিয়োজিত কৰা হৈছে। ছত্তিশগড় আৰু তেলেংগানাতো এন ডি আৰ এফৰ জোৱান নিয়োগ কৰা হৈছে।

00000

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰন মাঝিৰ সৈতে ঘূৰ্ণিবতাহৰ পাছৰ পৰিস্থিতি সম্পৰ্কে পৰ্যালোচনা কৰে। তেওঁ লগতে ৰে'ল বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ সৈতেও ৰাজ্য দুখনত তাৎক্ষণিকভাৱে পুনৰ উদ্ধাৰ অভিযান চলাবলৈ নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী বৈষ্ণৱে কয়, যে **মোন্থা** নামৰ ঘূৰ্ণি বতাহজাকৰ প্ৰভাৱলৈ চাই মাণ্ডলিক ৱাৰ ৰূমসমূহ সক্ৰিয় কৰি তোলা হৈছে।

ৰে'ল বিষয়াসকলক বিশেষকৈ অন্ধ্ৰপ্ৰদেশৰ পূব উপকূলভাগ, ওড়িশা আৰু তেলেংগানাত যন্ত্ৰপাতি আৰু মানৱ শক্তিকে ধৰি সকলো আৱশ্যকীয় সা-সামগ্ৰী বিশেষকৈ বিজয়াড়া, বিশাখাপট্টনম আৰু গুণ্টুৰ সংমণ্ডলত সাজু কৰি ৰখা হৈছে। মন্ত্ৰালয়ে লগতে যাত্ৰীৰ অসুবিধা কম কৰাৰ বাবে ৰে'ল চলাচলৰ ওপৰত অহৰহভাৱে নিৰীক্ষণ কৰি আছে।

00000

কেন্দ্ৰীয় শ্ৰম, নিয়োগ তথা ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি সন্ধিয়া নতুন দিল্লীত চলিত বছৰৰ ছৰ্দাৰ পেটেল সোঁৱৰণী বক্তৃতা প্ৰদান কৰিব। ভাৰতৰ প্ৰাক্তন তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ছৰ্দাৰ বল্লৱভাই পেটেলৰ সন্মানাৰ্থে আকাশবাণীয়ে প্ৰতি বছৰে পেটেল সোঁৱৰণী বক্তৃতাৰ আয়োজন কৰি আহিছে। ইতিপূৰ্বে কেইবাগৰাকীও প্ৰতিষ্ঠিত বিজ্ঞানী, ইতিহাসবিদ আৰু নেতাই এই বক্তৃতানুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। ১৯৫৫ চনত আৰম্ভ হোৱা এই বক্তৃতা শৃংখলাত চি ৰাজা গোপালাচাৰীয়ে প্ৰথম বক্তৃতা আগবঢ়াইছিল। ড০ এ পি জে আব্দুল কালাম, মুৰাৰজী দেশাই, ড০ জাকিৰ হুছেইন, ড০ কৰ্ণ সিং, বসন্ত সাথে, ড০ কে কস্তুৰী ৰংগনৰ দৰে গণ্যমান্য ব্যক্তিয়ে এই বক্তৃতা শৃংখলাত ভাষণ দিছিল। অহা ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জয়ন্তীৰ দিনা আকাশবাণীৰ সকলো নেটৱৰ্ক যোগে এই বক্তৃতানুষ্ঠানৰ ৰেকৰ্ডিং প্ৰচাৰ কৰা হ'ব।

00000

ভাৰতৰ সৌৰ শক্তি উৎপাদন আৰ্হি বিশ্বৰ আটাইতকৈ সফল আৰ্হিসমূহৰ অন্যতম বুলি কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত আন্তৰাষ্ট্ৰীয় সৌৰজোটৰ সভাৰ অষ্টম সত্ৰত অংশগ্ৰহণ কৰাৰ সময়ত  আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত ঘৰৰ মুধচত ২১ লাখ সৌৰ শক্তি উৎপাদন গোট স্থাপন কৰা হৈছে আৰু প্ৰায় ৫০ শতাংশ জনসাধাৰণে বিদ্যুৎ মাচুলৰ পৰা মুক্তি লাভ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কুসুম আঁচনিৰ অধীনত খেতিয়কসকলে সৌৰ শক্তি উৎপাদন কৰিবলৈ লৈছে আৰু ৰাহি হোৱা সৌৰ শক্তি বিক্ৰীও কৰিছে।

00000

হিন্দুস্তান এৰ'নাটিক্‌ছ লিমিটেডে এছ জে -১০০ অসামৰিক যাত্ৰীবাহী বিমান ভাৰতত নিৰ্মাণ কৰাৰ বাবে ৰাছিয়াৰ পাবলিক জইণ্ট ষ্ট'ক কোম্পানী ইউনাইটেড এয়াৰ ক্ৰাফট কৰ্পৰেছনৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এক বাৰ্তাযোগে দেশৰ অসামৰিক বিমান পৰিবহন খণ্ডত এক উল্লেখযোগ্য পদক্ষেপ বুলি প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে উড়ান আঁচনিৰ অধীনত এছ জে-১০০ যাত্ৰীবাহী বিমানে চমু দূৰত্ব সংযোগৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন সাধন কৰিব বুলি উল্লেখ কৰে। আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত অসামৰিক বিমান পৰিবহন খণ্ডৰ ই এক বৃহৎ অগ্ৰগতি বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে দেশত নিৰ্মাণ হ'বলগীয়া এছ জে-১০০ ৰ প্ৰথমখন বিমান সম্পূৰ্ণ যাত্ৰীবাহী বিমান হ'ব বুলিও জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে আৰু লগতে এই বিমান নিৰ্মাণে ব্যক্তিগত খণ্ডক শক্তিশালী কৰি তুলিব আৰু বিমান উদ্যোগত প্ৰত্যক্ষ আৰু পৰোক্ষ চাকৰিৰ সৃষ্টি কৰিব বুলিও জানিবলৈ দিয়ে।

00000

হামাছে যুদ্ধবিৰতি উলংঘা কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পাছত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে গাজাত বিমান আক্ৰমণ চলায়। এই আক্ৰমণত ৯ জন লোকৰ মৃত্যু হয়। প্ৰধানমন্ত্ৰী নেতানয়াহুৱে বলপূৰ্বক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়াৰ পাছতে এই আক্ৰমণ সংঘটিত হয়।  ইজৰাইলৰ বিষয়াসকলৰ মতে,হামাছে ৰাফাহ অঞ্চলৰ সমীপত ইজৰাইলৰ সৈন্যক ৰকেট চালিত গ্ৰেনেড আৰু স্নাইপাৰৰ গুলীৰে আক্ৰমণ কৰে।  ইয়াৰ কিছু সময়ৰ পাছতে ইজৰাইলৰ বিমান আক্ৰমণে গাজা চহৰৰ  আল চাব্ৰা চুবুৰী আৰু খান উইনিছত আঘাত কৰে। সূত্ৰই জনোৱা অনুসৰি হামাছে ইজৰাইল বাহিনীক আক্ৰমণ কৰা বুলি উত্থাপন কৰা অভিযোগ অস্বীকাৰ কৰিছে।

00000

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত  অনুষ্ঠিত হ'ব। ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখনৰ বাবে দৰ্শকৰ

মাজত যথেষ্ট আগ্ৰহ পৰিলক্ষিত হৈছে। বৰ্ষাপাৰাত অনুষ্ঠিত পূৰ্বৰ কেইবাখনো  আন্তৰ্জাতিক ক্ৰিকেট খেল বৰষুণৰ বাবে বিঘ্নিত হোৱাৰ দুঃসহ স্মৃতি আঁতৰাই গুৱাহাটীৰ ক্ৰিকেট প্ৰেমী আজিৰ খেলখন উপভোগৰ বাবে সাজু হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি আজি গুৱাহাটীৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব যদিও খেল ব্যাহত হ'ব পৰা ধৰণৰ বৰষুণৰ সম্ভাৱনা নাই বুলি কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি আবেলি আঢ়ৈ বজাৰ পৰা এই খেলখনৰ হিন্দী আৰু ইংৰাজীত চলন্ত বিৱৰণী প্ৰচাৰ কৰিব। প্ৰাগজ্যোতিষপুৰ শাখাত মিডিয়াম ৱেভৰ ২৮৯ দশমি ৯ মিটাৰত এই বিৱৰণি শুনিবলৈ পোৱা যাব।

00000

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত হ'বলগীয়া ৫ খনীয়া টি ২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কেনবেৰাৰ মানুকা অ'ভেলত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি আজি দিনৰ ১:৪৫ মিনিটত খেলখন আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বৰ ভাৰতীয় দলটোৱে এদিনীয়া শৃংখলাত অষ্ট্ৰেলিয়াৰ হাতত ১-২ ফলাফলত পৰাজিত হোৱাৰ পাছত পাঁচখনীয়া খেলৰ এই শৃংখলা জয়েৰে আৰম্ভ কৰিবলৈ চেষ্টা কৰিব। উল্লেখযোগ্য যে, ভাৰত আৰু অষ্ট্ৰেলিয়াই টি- ২০ বিশ্বকাপ ২০২৪ ৰ চুপাৰ এইট পৰ্যায়ত শেষবাৰৰ বাবে অৱতীৰ্ণ হৈছিল। এই খেলখনত ভাৰতে জয়লাভ কৰিছিল।

00000

ৰাষ্ট্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া  বঁটাসমূহৰ বাবে আবেদন দাখিলৰ সময়সীমা ৪ নৱেম্বৰলৈ বৃদ্ধি কৰিছে। যোগ্য খেলুৱৈ, প্ৰশিক্ষক আৰু প্ৰতিষ্ঠানসমূহে www.dbtyas-sports.gov.in পোৰ্টেলৰ যোগে আবেদন দাখিল কৰিব পাৰিব। ক্ৰীড়াৰ ক্ষেত্ৰত অতুলনীয় অৱদান আৰু প্ৰদৰ্শনৰ স্বীকৃতিস্বৰূপে বছৰি এই বঁটাসমূহ প্ৰদান কৰা হয়।

00000

সমাপ্ত